**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-10-2024

**Time :** 1715 Hrs.
***Assamese Evening Bulletin***

তিনিদিনীয়া ভ্ৰমণসূচীৰে কালি অৰুণাচল প্ৰদেশত উপস্থিত হোৱা কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি ইটানগৰ আৰু নামছাইত জনসম্পৰ্কৰক্ষা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। দুয়োটা অনুষ্ঠানতে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু, উপ-মুখ্যমন্ত্ৰী ছাউনা মেইন আৰু কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়া উপস্থিত থাকে। অনুষ্ঠানত অংশ লৈ শ্ৰীমতী সীতাৰমণে নামছাইৰ উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰি অভিলাষী জিলা কাৰ্যসূচীৰ অধীনত ইয়াৰ সম্ভাৱনাসমূহ বিকশাই তুলিবলৈ আহ্বান জনায়। এই অনুষ্ঠানত প্ৰায় ৩০০ হিতাধিকাৰী আৰু আত্মসহায়ক গোটৰ সদস্যই অংশগ্ৰহণ কৰে। ৰাজ্যখনত বিত্তীয় অন্তৰ্ভুক্তি সৰ্বাত্মক আৰু ত্বৰান্বিত কৰাৰ বাবে বহনক্ষম উন্নয়ন দ্ৰুত কৰি তোলাৰ বাবে এই কাৰ্যসূচী লোৱা হৈছিল। ইয়াৰ আগেয়ে কালি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অৰুণাচলৰ ৰাজ্যপাল লেফ্‌টেনেণ্ট জেনেৰেল কে টি পাৰনায়কক ইটানগৰত থকা ৰাজভৱনত সাক্ষাৎ কৰে। সাক্ষাৎকালত ৰাজ্যখনলৈ বিত্তীয় সাহায্য প্ৰদান সন্দৰ্ভত আলোচনা কৰা হয়। ৰাজ্যপালগৰাকীয়ে কয় যে, ৰাজ্যখনলৈ আন্তঃৰাষ্ট্ৰীয় বেংকৰ পৰা ঋণ প্ৰদানৰ কোনো ব্যৱস্থা নাই আৰু সেয়েহে ৰাজ্যখন বিত্তীয় সাহায্যৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল। ৰাজ্যখনক অতিৰিক্ত পুঁজি প্ৰদানৰ দ্বাৰা সহায় কৰিবলৈ তেওঁ আহ্বান জনায়। তদুপৰি পৰিৱেশ, জলবিদ্যুৎ প্ৰকল্প আৰু সীমান্ত এলেকা উন্নয়নৰ বাবে বিশেষ পুঁজি প্ৰদান কৰিবলৈও তেওঁ আহ্বান জনাইছে। শ্ৰীমতী সীতাৰমণে ৰাজ্যপালগৰাকীক অৰুণাচল প্ৰদেশলৈ সকলো ধৰণৰ প্ৰয়োজনীয় সাহায্য আগবঢ়োৱা হ'ব বুলি আশ্বাস দিছে।

০০০০০০০

অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিয়াৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী তথা কেন্দ্ৰীয় চৰকাৰৰ সৈতে নিয়মীয়াকৈ যোগাযোগত থকাৰ কথা আজি মুখ্যমন্ত্ৰীগৰাকীয়ে মাইক্ৰ' ব্লগিং চাইট এক্স যোগে প্ৰকাশ কৰিছে। এক্স বাৰ্তা যোগে মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে, অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিয়াৰ প্ৰস্তাৱটোৱে ন্যায়াধীশ বিপ্লৱ শৰ্মা সমিতিৰ প্ৰতিবেদনৰ পৰামৰ্শৱলীৰ পৰাও আগুৱাই গৈ ভাষাটোক অনন্য স্থান প্ৰাপ্তিত সহায় কৰিব। প্ৰধানমন্ত্ৰী গৰাকীয়ে এই প্ৰস্তাৱ গভীৰভাৱে বিবেচনা কৰিব বুলিও মুখ্যমন্ত্ৰী শৰ্মাই একেটা বাৰ্তাতে আশা প্ৰকাশ কৰে।

০০০০০০০

অসম লোকসেৱা আয়োগত ধনৰ বিনিময়ত চাকৰি লোৱাৰ গোচৰৰ অভিযোগনামাত নতুনকৈ নাম সন্নিৱিষ্ট হোৱা ১০ জনকৈ ৰাজপত্ৰিত বিষয়া আজি বিশেষ ন্যায়াধীশৰ আদালতত হাজিৰ হয়। আদালতে সকলো দিশ পৰ্যৱেক্ষণৰ অন্তত আটাইকেইগৰাকীৰে জামিন মঞ্জুৰ কৰে। আনহাতে অভিযোগনামাত নাম থকা আন ৭ জন বিষয়াই পৰৱৰ্তী শুনানিত হাজিৰ হোৱাৰ বাবে আদালতত আবেদন দাখিল কৰে। ৮ অক্টোবৰত গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দেশ-বিদেশৰ পৰ্যটকৰ বাবে আজি মুকলি কৰা হয়। ৰাজ্য চৰকাৰৰ বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়ে বাগৰি বনাঞ্চলৰ প্ৰৱেশ দ্বাৰৰ ফিটা কাটি ৰাষ্ট্ৰীয় উদ্যানখনৰ ২০২৪-২৫ পৰ্যটন বৰ্ষ আনুষ্ঠানিকভাৱে মুকলি কৰে। সমান্তৰালকৈ ৰাষ্ট্ৰীয় উদ্যানখনৰ ক'হৰা আৰু বুঢ়া পাহাৰ বনাঞ্চলো পৰ্যটকৰ বাবে মুকলি হয়। বৰ্তমান পৰ্যটকসকলৰ বাবে কেৱল জীপ ছাফাৰীৰ ব্যৱস্থা কৰা হৈছে। অহা ১ নৱেম্বৰৰ পৰা পৰ্যটকসকলে হাতী ছাফাৰীৰ সুবিধা লাভ কৰিব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই ইতিমধ্যে ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰ ভাগৰ বাট-পথসমূহ মেৰামতি কৰাৰ লগতে জীপ চালক সকলকো প্ৰশিক্ষণ প্ৰদান কৰিছে। ইতিমধ্যে কেইবালানিও প্ৰশিক্ষণ কাৰ্যসূচী সমাপ্ত হৈছে। আজি উদ্যোনখনৰ কাজিৰঙা বনাঞ্চল, বাগৰি বনাঞ্চল আৰু বুঢ়া পাহাৰ বনাঞ্চলৰ কিছু অংশহে পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। পাটোৱাৰীৰ লগতে আবকাৰী আৰু মীন মন্ত্ৰী কেশৱ মহন্ত, কৃষি মন্ত্ৰী অতুল বৰা, সাংসদ কামাখ্যা প্ৰসাদ তাচাৰ লগতে বন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

ইফালে আজি ওৰাং ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পও ২০২৪-২০২৫ পৰ্যটন বৰ্ষৰ বাবে মুকলি হয়। মঙলদৈ বণ্য প্ৰাণী সংমণ্ডল বিষয়াই ফিটা কাটি ৰাষ্ট্ৰীয় উদ্যানখন পৰ্যটকৰ বাবে আনুষ্ঠানিক ভাৱে মুকলি কৰে।

ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ এটা খৰ্গযুক্ত গঁড়ৰ বিচৰণথলী আৰু মাটিকালিৰ ক্ষেত্ৰত এছিয়াৰ ভিতৰতে বাঘৰ ঘন বসতি থকা এই উদ্যানখনৰ পথসমূহ মেৰামতি কৰি জীপ ছাফাৰীৰ বাবে উপযোগী কৰি তোলা হৈছে। এইবাৰ পৰ্যটকসকলৰ সুবিধাৰ্থে বন বিভাগে নিজাকৈ ছটা কোঠাৰ ইকো কেম্প মুকলি কৰিছে।

0000000

জাগীৰোডৰ বিধায়ক তথা ৰাজ্য চৰকাৰৰ মন্ত্ৰী পীযুষ হাজৰিকা নেতৃত্বত আজি জাগীৰোডৰ গাঁও পঞ্চায়তৰ সন্মুখৰ পৰা বিজেপিয়ে এটা প্ৰতিবাদী সমদল উলিয়ায়। এই প্ৰতিবাদী সমদলেৰে বিজেপিয়ে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খৰ্গেৰ পুত্ৰ তথা কংগ্ৰেছ নেতা প্ৰিয়াংক খৰ্গেই কৰা অসম বিৰোধী মন্তব্যৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। জাগীৰোডত স্থাপন হ'বলগীয়া ছেমি কণ্ডাক্টৰ প্ৰকল্পক লৈ কংগ্ৰেছ নেতাগৰাকীয়ে অসমক হেয় প্ৰতিপন্ন কৰি মন্তব্য কৰা বুলি বিজেপিয়ে অভিযোগ ঘূৰি আহিছে।

0000000

আজি বিশ্ব জ্যেষ্ঠ নাগৰিক দিৱস। এই দিৱসৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ কেইবাখন জিলাতো বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত পবিতৰা হাটত বিশ্ব জ্যেষ্ঠ নাগৰিক দিৱস উপলক্ষে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। জিলাখনৰ আয়ুক্তই মৰিগাঁও নগৰৰ একাংশ জ্যেষ্ঠ নাগৰিকক সম্বৰ্ধনা জ্ঞাপন কৰে।

চৰাইদেউ জিলা প্ৰশাসনৰ উদ্যোগত তথা জিলা মহিলা আৰু শিশু বিকাশ বিভাগ আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সহযোগত জিলা পৰ্যায়ত বিশ্ব জ্যেষ্ঠ নাগৰিক দিৱস উদযাপন কৰা হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত আয়োজিত এই অনুষ্ঠানত আয়ুক্তগৰাকীয়ে উপস্থিত জ্যেষ্ঠ নাগৰিকসকলক এই বিশেষ দিনটোৰ ওলগ আৰু শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ জ্যেষ্ঠ নাগৰিকসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে তেওঁলোকে সন্মুখীন হোৱা অসুবিধা আৰু সমস্যাসমূহৰ বিষয়ে বিস্তৃতভাৱে বুজ লৈ সেই সমূহৰ সমাধানৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণৰো আশ্বাস প্ৰদান কৰে।

আনহাতে তিনিচুকীয়া জিলাত বয়োজ্যেষ্ঠ নাগৰিক কল্যাণ সংস্থাৰ উদ্যোগত স্থানীয় পেঞ্চনাৰ ভৱনত অঞ্চলটোৰ তিনিগৰাকী সন্মানীয় জ্যেষ্ঠ নাগৰিক সমাজকৰ্মী ডা০ নৰেশ্বৰ দত্ত, ডা০ টংকেশ্বৰ তামুলী আৰু

অপৰ্ণা দেৱীক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত বন্যপ্ৰাণী আৰু পৰিৱেশ- সংকট আৰু সমাধান বিষয়ক এখন আলোচনা সভাৰো আয়োজন কৰা হয়।

oooooooo

**সমাপ্ত**